# অস্টম শ্ৰেণীৰ বাবে বৃত্তি পৰীক্ষা সম্পৰ্কীয় জাননী

## NATIONAL MEANS CUM-MERIT SCHOLARSHIP (NMMS) EXAMINATION, 2021-22

**<u>DATE OF ONLINE APPLICATION: 1ST OCTOBER, 2021 TO 30TH OCTOBER, 2021</u>**

ভাৰত চৰকাৰৰ মানৱ সম্পদ মন্ত্ৰনালয়ৰ (MHRD) অধীনৰ NATIONAL MEANS CUM-MERIT SCHOLARSHIP EXAMINATION, 2021-22 বাচনি পৰীক্ষাৰ বাবে আবেদন বিচৰা হৈছে। এই বৃত্তি পৰীক্ষাত উত্তীৰ্ণ হোৱা পৰীক্ষাৰ্থীয়ে বছৰি ১২,০০০/- (বাৰ হাজাৰ) টকাকৈ জলপানি ধন চাৰি বছৰৰ বাবে লাভ কৰিব। এই ক্ষেত্ৰত শিক্ষা মন্ত্ৰনালয়ে জাৰি কৰা নীতি-নিৰ্দেশনা সমুহৰ পৰিপূৰক হব লাগিব আৰু উত্তীৰ্ণ হোৱা শিক্ষাৰ্থী সকলে নিজৰ নাম যাবতীয় নথি-পত্ৰেৰে NSPৰ জৰিয়তে যথা সময়ত পঞ্জীয়নৰ লগতে আবেদন কৰিব লাগিব।

**পৰীক্ষাৰ আবেদন কেনেকৈ কৰিব লাগিবঃ**

- Google Play Storeত গৈ বিদ্যাৰ্থী (**Bidyarthi**) app download কৰি তাৰ যোগেদি অতি সহজে আবেদন কৰিব পাৰিব।
- মাধ্যমিক শিক্ষা সঞ্চালকালয়ৰ ৱেবচাইট **<u>www.madhyamik.assam.gov.in</u>** দ্বাৰাও Online যোগে আবেদন কৰিব পাৰিব।

**আবেদনৰ বাবে নিয়মাৱলীঃ**

- ছাত্ৰ-ছাত্ৰী অস্টম শ্ৰেণীত অধ্যয়ন কৰি থকা হব লাগিব।
- ছাত্ৰ-ছাত্ৰী অসম চৰকাৰৰ অধীনৰ চৰকাৰী, প্ৰাদেশীকৃত আৰু স্থানীয় সমিতিৰ দ্বাৰা পৰিচালিত বিদ্যালয়ত অধ্যয়ন কৰি থকা হ'ব লাগিব।
- ব্যক্তিগত বিদ্যালয়ৰ ইচ্ছুক ছাত্ৰ-ছাত্ৰীয়ে নিজৰ বুদ্ধি বিকাশৰ বাবে এই পৰীক্ষাত অবতীৰ্ণ হবও পাৰে। কিন্ত তেনে ছাত্ৰ-ছাত্ৰীক জলপানিৰ বাবে বিবেচিত কৰা নহব।

**আবেদনৰ বাবে কি প্ৰয়োজনীয়ঃ**

- পাচপোৰ্ট ফটো আৰু স্বাক্ষৰৰ Scan কপি।
- অনুসূচীত জাতি, জনজাতি, অন্যান পিছ পৰা আৰু অন্য ভাবে সক্ষম ছাত্ৰ-ছাত্ৰীসকলকৰ প্ৰমানপত্ৰৰ Scan কপি।

**<u>পৰীক্ষাৰ সবিশেষঃ</u>**

- **Multiple Choice Question (MCQ)** আৰু **OMR** ভিত্তিত সম্পাদন কৰা এই পৰীক্ষাৰ প্ৰশ্নকাকত আতি উন্নত মান-দন্ডৰ হয়।
- ছাত্ৰ-ছাত্ৰীসকলে বিদ্যাৰ্থী appৰ জৰিয়তে বিগত দুই বছৰৰ প্ৰশ্নকাকত লাভ কৰিব পাৰিব।
- লিখিত পৰীক্ষা অহা ডিচেম্বৰ / জানুৱাৰী মাহত অনুষ্ঠিত হব।
- প্ৰশ্নকাকত কেৱল অসমীয়া আৰু ইংৰাজী মাধ্যমত উপলব্ধ হব। OMR sheet ইংৰাজী মাধ্যমতে থাকিব।
- দুই ভাগত বিভক্ত এই পৰীক্ষাৰ সূচী এনে ধৰনৰ হব -

**পৰীক্ষাৰ সূচী**

| প্ৰশ্নকাকত নং (Question Paper No.) | পৰীক্ষাৰ বিষয় (Subject) | মুঠ নম্বৰ (Total Marks) |
|---|---|---|
| প্ৰথম প্ৰশ্নকাকত (1st Paper) | Mental Ability Test (MAT) | ৯০ (90) |
| দ্বিতীয় প্ৰশ্নকাকত (2nd Paper) | Scholastic Aptitude Test (SAT) | ৯০ (90) |

**<u>আসনৰ সংখ্যা আৰু সংৰক্ষণঃ</u>**

- অসম প্ৰদেশৰ মুঠ আসনৰ সংখা ২৪১১
- ইয়াৰে ১৫% আসন অনুসূচীত জনজাতিৰ বাবে সংৰক্ষিত।
- ৭.৫% আসন অনুসূচীত জাতিৰ বাবে সংৰক্ষিত।
- ৪% আসন অন্য ভাবে সক্ষম ছাত্ৰ-ছাত্ৰীসকলকৰ বাবে সংৰক্ষিত।
- প্ৰতি খন প্ৰশ্নকাকত উত্তীৰ্ণৰ বাবে প্ৰয়োজনীয় নম্বৰ এনে ধৰনৰ – সাধৰণ শ্ৰেণী – ৪০%, অনুসূচীত জনজাতি – ৩২%, অনুসূচীত জাতি – ৩২%, অন্য ভাবে সক্ষম – ৩২%

**<u>আবেদনৰ সময় আৰু অন্তিম তাৰিখঃ</u>**

- আবেদনৰ প্ৰক্ৰিয়া ১ অক্টোবৰৰ পৰা উপলব্ধ হব।
- আবেদনৰ অন্তিম তাৰিখ হৈছে ৩০ অক্টোবৰৰ ২০২১।

**<u>পৰীক্ষাৰ মাচুলঃ</u>**

- সাধৰণ শ্ৰেণী আৰু অন্যান পিছ পৰা শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে ২০০ টকা।
- অনুসূচীত জাতি আৰু জনজাতি ছাত্ৰ-ছাত্ৰীসকলৰ বাবে ১৮০ টকা।
- অন্য ভাবে সক্ষম ছাত্ৰ-ছাত্ৰীসকলকৰ বাবে ১৭৫ টকা।
- আবেদন কৰা ছাত্ৰ-ছাত্ৰীসকলে পৰীক্ষাৰ মাচুল প্ৰ-পত্ৰ পূৰণৰ সময়তে Online যোগে Debit/Credit Card, Net banking আদি সেৱাৰে লগে লগে পৰিশোধ কৰিব পাৰিব।

**<u>ই-এডমিত কাৰ্ডঃ</u>**

- ই-এডমিত কাৰ্ড 'বিদ্যাৰ্থী' app আৰু মাধ্যমিক শিক্ষা সঞ্চালকালয়ৰ ৱেবচাইট যোগে উপলব্ধ হব।

**<u>পৰীক্ষাৰ ফলাফলঃ</u>**

- পৰীক্ষাৰ ফলাফলসমূহ ২০২২বৰ্ষৰ জানুৱাৰী মাহৰ ভিতৰত 'বিদ্যাৰ্থী' app আৰু মাধ্যমিক শিক্ষা সঞ্চালকালয়ৰ ৱেবচাইট যোগে লাভ কৰিব পাৰিব।

**<u>পৰীক্ষাৰ কেন্দ্ৰঃ</u>**

- অসমৰ প্ৰতিখন জিলাৰ সদৰ, মহকুমা আৰু অন্যান্য স্থানত ৮১ টা পৰীক্ষা কেন্দ্ৰ ২০২১-২২ বৰ্ষৰ বাবে ধাৰ্য কৰা হৈছে।

**<u>কাৰ্য্যালয়ৰ ঠিকনা</u>**


পৰীক্ষা আৰু প্ৰশিক্ষণ শাখা
মাধ্যমিক শিক্ষা সঞ্চালকালয়, অসম
কাহিলিপাৰা, গুৱাহাটী – ৭৮১০১৯
Website- **www.madhyamik.assam.gov.in**
Ph. No.– **9435-77-67-67**


সঞ্চালক,
মাধ্যমিক শিক্ষা সঞ্চালকালয়, অসম

**QR Code of 'Bidyarthi' app**